আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, FEBRUARY 26, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬০ Guwahati, Assam ।। মূল্যঃ এটকা

## সিংহৰ নাম ৰাখি চাকৰিৰ পৰা নিলম্বিত বন বিষয়া

**আগৰতলা, ২৬ ফেব্ৰুৱাৰীঃ** মানুহৰ জাতি, ধৰ্ম, বৰ্ণৰ নামত ৰাজনীতি তেনে সৰু কথা। কিন্তু এতিয়া কেৱল মানুহৰে নহয়, বনৰীয়া জীৱ-জন্তুৰ নামক লৈয়ো আৰম্ভ হৈছে ৰাজনীতি। পৰিস্থিতি এনে হৈ পৰিছে যে বন্দী সিংহৰ নামকৰণক লৈ কেইবাটাও দিন ধৰি ৰাজনীতি চলি থকাৰ



মাজতে নামকৰণ কৰা জ্যেষ্ঠ বন বিষয়াজনেই বিপদত পৰিবলগীয়া হৈছে। ত্ৰিপুৰাৰ পৰা পশ্চিমবংগলৈ নিয়া চিৰিয়াখানাৰ সিংহ আৰু সিংহীক আকবৰ আৰু সীতা নামাকৰণ কৰি চাকৰিৰ পৰা নিলম্বিত হ'বলগীয়া হৈছে ত্ৰিপুৰাৰ মুখ্য বন সংৰক্ষক প্ৰবীণ লাল আগৰৱাল। শেষাংশ ২ পৃষ্ঠাত

## পুৰণি পেন্সন ব্যৱস্থা সন্দৰ্ভত বিধানসভাত মুখ্যমন্ত্ৰীৰ বৃহৎ মন্তব্য

# অ'পিএছ! ৫ বছৰতে দেউলীয়া হৈ পৰিব অসম

**ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ** অসমৰ অৰ্থনৈতিক অৱস্থা তেনেই শোচনীয় হৈ পৰিছে! তাৰেই উমান পোৱা গ'ল বিধানসভাত। খোদ মুখ্যমন্ত্ৰীয়ে পুৰণি ব্যৱস্থা বাহাল কৰি পেন্সন দিবলগীয়া হ'লে আৰ্থিক অৱস্থা বিধ্বস্ত হ'ব বুলি অকপটে স্বীকাৰ কৰে। বাজেট অধিৱেশনৰ শেষৰটো দিনত আজি বিধায়ক অখিল গগৈয়ে নতুন পেন্সন ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা বাহাল কৰাৰ বিষয়ত প্ৰশ্ন উত্থাপন কৰে। অখিল গগৈৰ প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে পুৰণি ব্যৱস্থাত পেন্সন দিবলগীয়া হ'লে অসম ৫ বছৰৰ ভিতৰত দেউলীয়া হৈ শেষাংশ ২ পৃষ্ঠাত

## নক্সাল নেতা বুলি অখিলক তাচ্ছিল্য

**ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ** ২০২১ চনৰ মে' মাহত বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাছতে মুকলি আকাশৰ তললৈ অহা অখিল গগৈক মাওবাদীৰ সৈতে জড়িত থকাৰ অভিযোগ বহুবাৰ উত্থাপন কৰি আহিছে বিজেপিৰ নেতা-কৰ্মীয়ে। অখিল গগৈয়ে শেষাংশ ৪ পৃষ্ঠাত

## লোকসভালৈ সাজু বিজেপি, বৰপেটা পাব অগপে!

**ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি শাসকীয় বিজেপি দল অসমত ব্যাপকভাৱে সক্ৰিয় হৈ পৰিছে। যিকোনো প্ৰকাৰে অধিক আসনত জয়ী হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰি ইতিমধ্যে কাম আৰম্ভ কৰিছে বিজেপিয়ে। শেষাংশ ৩ পৃষ্ঠাত

## সুৰৰ যাত্ৰা সামৰি গ'লগৈ পংকজ উধাস

### সংগীত জগতত শোকৰ ছাঁ

**মুম্বাই, ২৬ ফেব্ৰুৱাৰীঃ** সংগীতৰ মায়াজালত কোটি কোটি সংগীতপ্ৰেমীক বন্দী কৰি অৱশেষত নিজেই বিদায় মাগিলে গজল সম্ৰাট পংকজ উধাসে। দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত সোমবাৰে মুম্বাই ব্ৰিচ কেণ্ডি হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে গজল শিল্পীগৰাকীয়ে। ৭২ বৰ্ষীয় প্ৰবীণ শিল্পীগৰাকীৰ বিয়োগৰ খবৰ নিশ্চিত কৰিছে তেওঁৰ পৰিয়ালে। পৰিয়ালৰ সূত্ৰই শেষাংশ ৩ পৃষ্ঠাত



## যোৰহাটত জালত পৰিল বিহাৰী যুৱক

**ই-সংবাদ, যোৰহাট, ২৬ ফেব্ৰুৱাৰীঃ** ভুৱা নথি-পত্ৰৰে এছএছচি পৰীক্ষা দিবলৈ আহি জালত পৰিছে বহিঃৰাজ্যৰ ৬ যুৱক। বিহাৰৰ যুৱকে অসমৰ পৰীক্ষা কেন্দ্ৰত পৰীক্ষা দিবলৈ অহাৰ সময়তে যোৰহাটৰ কেন্দুগুৰিত স্থানীয় যুৱকে আৱদ্ধ কৰে যুৱককেইজনক। শেষাংশ ২ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অ’পিএছ! ৫ বছৰতে দেউলীয়া

পৰিব বুলি উল্লেখ কৰে৷ সদনত অখিল গগৈয়ে তিনিগৰাকী শিক্ষকৰ নাম উল্লেখ কৰে৷ ইয়াৰ এগৰাকী শিক্ষক কৰ্কট ৰোগী৷ কৰ্টক ৰোগী শিক্ষকজনে ২৪০০ টকা পেন্সন লাভ কৰাৰ উদাহৰণ দাঙি ধৰে৷ মুখ্যমন্ত্ৰীয়ে সদনত প্ৰাদেশীকৃত ভেন্সাৰ স্কুলৰ শিক্ষকে পুৰণি পেন্সন লাভ নকৰাৰ কাৰণ উল্লেখ কৰে৷ মুখ্যমন্ত্ৰীয়ে কয় ‘‘তেওঁলোক ভেন্সাৰৰ আছিল, ভেন্সাৰৰ পৰা প্ৰাদেশীকৃত হ’ল৷ কোনোবাই ৮ মাহ, কোনোবাই ৬ মাহ, কোনোবাই ২ বছৰ, কোনাবাই ৩ বছৰ কাম কৰিছে৷ চৰকাৰৰ পেন্সন পাবলৈ যিটো কাৰ্যকালৰ চাকৰি কৰিব লাগিছিল, সেই মতে চাকৰি কৰা নাই৷ অ’পিএছ হ’লেও পেন্সন পাব লাগে বুলি কথা নাই৷ ভাৰত চৰকাৰে এখন সমিতি গঠন কৰি দিছে৷ অসম চৰকাৰে এটা প্ৰস্তাৱ দিছে৷ এজন ব্যক্তিয়ে এটা ন্যূনতম পেন্সন পাব লাগে৷ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰে গঠন কৰা সমিতিক স্মাৰক পত্ৰ দিছে৷ এইবোৰ ৰাষ্ট্ৰীয় পলিচি৷ ৰাজ্যৰ পলিচি হ’ব নালাগে৷ সমিতিখনৰ প্ৰতিবেদন আহিলে সেই মতে কাম কৰিম৷ নতুন কৰ্মচাৰীয়ে অ’পিএছলৈ যাব নোখোজে৷ যিসকলে ২০-২১ চাকৰি পাইছে৷ ৪০ বছৰ চাকৰি কৰিব৷ তেওঁলোকে যিমান পেন্সন পাব অ’পিএছতকৈ বেছি পাব৷ আজিৰ তাৰিখত মাহেকত পেন্সন বিল ১৭০০ কোটি টকা মাহত৷ আমি যদি অ’পিএছ ব্যৱস্থা চলাব লাগে তেন্তে ৫ বছৰত চৰকাৰ দেউলীয়া হৈ যাব৷’’ সেই সময়ত অখিল গগৈয়ে থিয় হৈ চৰকাৰৰ অৰ্থনৈতিক অৱস্থাক লৈ প্ৰশ্ন তোলে৷ চৰকাৰে এনেয়ে ভাল বুলি কৈ থাকে বুলি কটাক্ষ কৰে অখিল গগৈয়ে৷ তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় ‘তেনেকৈ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি৷ যদি পেন্সন দি থাকিব লাগে, তেন্তে অৰ্থনৈতিক অৱস্থা বেয়া হৈ যাব৷ আজি অৰ্থনৈতিক অৱস্থা বেয়া নহয়৷ যদি পেন্সন দি থাকিব লাগে তেন্তে অৱস্থা বেয়া হ’ব৷ প্ৰতিমাহত ২৮০০ কোটি দৰমহা আৰু পেন্সন ১৭০০ কোটি দিব লাগে।’

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত জালত পৰিল বিহাৰী

পৰীক্ষা অৱতীৰ্ণ হ’বলৈ অহাৰ সময়তে আজি একাংশ লোকে ৬ বহিঃৰাজ্যৰ যুৱক আৱদ্ধ কৰে৷ সন্দেহ ওপজাত যুৱকেইজনক আৱদ্ধ কৰি তেওঁলোকৰ পৰিচয় জানিব খোজে৷ যুৱকসকলে অসমীয়াৰ পৰিৱৰ্তে হিন্দী কথা কয়৷ তেনে সময়তে বীৰ লাচিত সেনাই নথি পৰীক্ষা কৰাত দুই যুৱক বহিঃৰাজ্যৰ বুলি ধৰা পৰে৷ কিন্তু ভুৱা নথিৰে অসমৰ ঠিকনা ব্যৱহাৰ কৰিছে নিযুক্তি পৰীক্ষাক আবেদন কৰিছিল৷ সেই অনুযায়ী পৰক্ষীত বহিবলৈ আহিছিল৷ উত্তেজিত লোকৰ লগতে বীৰ লাচিত সেনাই ৬ যুৱকক পৰীক্ষাত বহাত বাধা প্ৰদান কৰে৷ ৬ সন্দেহজনক যুৱকে ভুৱা নথি ব্যৱহাৰ কৰি অসমত পৰীক্ষাত বহিবলৈ আহিছিল বুলি অভিযোগ উত্থাপন হৈছে৷ থলুৱা যুৱক-যুৱতীক বঞ্চিত কৰি এছএছচিত পৰীক্ষা দিবলৈ অহা মুঠ ৬ বহিৰাগত যুৱকক আৱদ্ধ কৰে ৰাইজে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সিংহৰ নাম ৰাখি চাকৰিৰ পৰা

ত্ৰিপুৰা চৰকাৰে জ্যেষ্ঠ বন বিষয়া তথা মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন আইএফএছ প্ৰবীণ লাল আগৰৱালক চাকৰিৰ পৰা নিলম্বন কৰিছে। বিশ্ব হিন্দু পৰিষদে সিংহ আৰু সিংহীক আকবৰ আৰু সীতা নাম সলনি কৰিবলৈ কলকাতা উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল৷ ধৰ্মীয় অনুভূতিক আঘাত হনাৰ অভিযোগ উত্থাপন কৰিছিল বিশ্ব হিন্দু পৰিষদে৷ জানিব পৰা মতে, পশু বিনিময় কাৰ্যসূচীৰ অধীনত ১২ ফেব্ৰুৱাৰীত ত্ৰিপুৰাৰ চেপাহিজালা চিৰিয়াখানাৰ পৰা সিংহ আৰু সিংহীক পশ্চিমবংগৰ শিলিগুৰিৰ উত্তৰবংগ বন্য প্ৰাণী উদ্যানলৈ অনা হৈছিল৷ নাম সলনিৰ আহ্বান জনোৱাৰ আৰ্জিৰ পাছতে কলকাতা উচ্চ ন্যায়ালয়ৰ জলপাইগুৰি চাৰ্কিট বিচাৰপীঠে বিতৰ্ক ৰোধ কৰিবলৈ সিংহী আৰু সিংহৰ নাম সীতা আৰু আকবৰ ৰখাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ কয়৷ পশ্চিমবংগ চিৰিয়াখানা কৰ্তৃপক্ষক স্বামী বিবেকানন্দ বা ৰামকৃষ্ণ পৰমহংসৰ দৰে ব্যক্তিত্বৰ নামেৰে এটা সিংহৰ নাম দিব পাৰি নেকি বুলি প্ৰশ্ন কৰে বিচাৰপীঠে৷ দুয়োটা জন্তুৰ নাম বিচক্ষণতাৰে পুনৰ বিবেচনা আৰু পুনৰ নামকৰণ কৰিবলৈ পৰামৰ্শ দিয়ে। দেৱতা, পৌৰাণিক ব্যক্তি, স্বাধীনতা সংগ্ৰামী বা নবেল বঁটা বিজয়ীসকলৰ নামত জীৱ-জন্তুৰ নাম ৰখাটো উচিত নেকি বুলি মন্তব্য কৰি এনে বিতৰ্ক পৰিহাৰ কৰিবলৈ কয় বিচাৰপীঠে। সিংহ আৰু সিংহী আকবৰ আৰু সীতাৰ নাম দি কিয় বিতৰ্ক কৰিব লাগে বুলিও কয় বিচাৰপীঠে৷ তাৰ পাছতে পশ্চিমবংগ চিৰিয়াখানা কৰ্তৃপক্ষই আদালতৰ পৰামৰ্শ মানি লৈ পূৰ্বে ৰখা নাম প্ৰত্যাহাৰ কৰে৷ আদালতৰ পৰামৰ্শৰ পাছতে ত্ৰিপুৰা চৰকাৰে ত্ৰিপুৰা চৰকাৰৰ মুখ্য মুখ্য বন সংৰক্ষক আৰু মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন পি.এল. আগৰৱালৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰে৷ চৰকাৰে কয় যে যিহেতু উত্থাপিত অভিযোগৰ বিচাৰ অমীমাংসিত হৈ আছে৷ সেয়েহে সৰ্বভাৰতীয় সেৱাৰ অনুশাসন আৰু আপীল নিয়ম, ১৯৬৯-ৰ নিয়ম ৩-ৰ (ক) ধাৰাৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি পি.এল. আগৰৱালক তাৎক্ষণিকভাৱে নিলম্বন কৰা হৈছে৷ আদেশ বলৱৎ হৈ থকাকালত পি.এল. আগৰৱাল আগৰতলাস্থিত মুখ্য কাৰ্যালয়তে থাকিব লাগিব৷ কৰ্তৃপক্ষৰ আগতীয়া অনুমতি নোপোৱাকৈ মুখ্য কাৰ্যালয় এৰিব নোৱাৰিব আগৰৱালে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সুৰৰ যাত্ৰা সামৰি গ'লগৈ

জানিবলৈ দিয়া মতে, যোৱা কেইমান আগতে কৰ্কট ৰোগ ধৰা পৰিছিল পংকজ উধাসৰ। ইয়াৰ পিছতে তেওঁক ব্ৰিচ কেণ্ডি হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। তাতেই ২৬ ফেব্ৰুৱাৰী অৰ্থাৎ সোমবাৰে পুৱা ১১ বজাত শেষ নিশ্বাস ত্যাগ কৰে সংগীতৰ মহানায়কগৰাকীয়ে। উল্লেখ্য যে, চাৰি দশকৰো অধিক সময় ধৰি নিজৰ কণ্ঠ আৰু গায়কীৰে দৰ্শকক মোহিত কৰি ৰখা পংকজ উধাসৰ জন্ম হৈছিল ১৯৫১ চনৰ ১৭ মে'ত গুজৰাটৰ জেটপুৰত।
অতি কম বয়সৰ পৰাই সংগীতৰ যাত্ৰা আৰম্ভ কৰা উধাসৰ বলিউডৰ নেপথ্য কণ্ঠশিল্পীৰ বাট মুকলি কৰি দিছিল তেওঁৰ জ্যেষ্ঠ ভাতৃ তথা প্ৰখ্যাত কণ্ঠশিল্পী মনহৰ উধাসে। প্ৰাৰম্ভিক সংগীত কেৰিয়াৰত পংকজ উধাসে কেইবাখনো হিন্দী ছবিৰ বাবে গীত পৰিৱেশন কৰাৰ লগতে এগৰাকী ইণ্ডিয়ান পপ চিংগাৰ হিচাপেও নিজৰ কেৰিয়াৰ আৰম্ভ কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত তেওঁ সুঁতি সলনি কৰি উৰ্দু কবিতাৰ ধাৰা গজলক আঁকোৱালি লয় আৰু ১৯৮০ চনত প্ৰথমখন একক গজল এলবাম 'আহত' মুকলি কৰে। পৰৱৰ্তী সময়ত উধাসে নিজৰ যাত্ৰা অব্যাহত ৰাখি ৬০টাতকৈও অধিক একক এলবামৰ লগতে অসংখ্য গীতত কণ্ঠদান কৰি গজলপ্ৰেমীৰ পৰা অভূতপূৰ্ব সমাদৰ লাভ কৰে। গজলক মূল সুঁতিৰ সংগীতলৈ অনাৰ ক্ষেত্ৰত আগভাগ লোৱা কণ্ঠশিল্পীসকলৰ ভিতৰত পংকজ উধাসো এগৰাকী বুলি ধৰা হয়।
১৯৮৬ চনত মুক্তিলাভ কৰা 'নাম' ছবিৰ 'চিঠি আই হ্যে' আৰু 'আ গলে লগ জাঃ আদি গীতে তেওঁক জনপ্ৰিয়তা প্ৰদান কৰাৰ লগতে ভাৰতৰ অন্যতম আগশাৰীৰ গজল গায়ক হিচাপে তেওঁৰ স্থান সুদৃঢ় কৰে। দীঘলীয়া সংগীত যাত্ৰাত পংকজ উধাসে শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ ফিল্মফেয়াৰ বঁটা, গজল গায়কীৰ সংগীত নাটক অকাডেমী বঁটা, দেশত তৃতীয় সৰ্বোচ্ছ অসামৰিক সন্মান পদ্মশ্ৰী সন্মানকে ধৰি অসংখ্য বঁটা আৰু সন্মান লাভ কৰিছে। সংগীতৰ জগতখনৰ বাহিৰেও প্ৰকৃতাৰ্থত এগৰাকী ভদ্ৰলোক হিচাপে পৰিচিত আছিল পংকজ উধাস। এইগৰাকী প্ৰসিদ্ধ শিল্পীৰ বিয়োগত শোক প্ৰকাশ কৰিছে বিভিন্নজনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকসভালৈ সাজু বিজেপি

বিৰোধী দলৰ নেতাক দললৈ আনি প্ৰভাৱ বৃদ্ধি কৰাৰ লগতে নিতৌ নিৰ্বাচনকেন্দ্ৰিক আঁচনি মুকলি কৰি আহিছে৷ তাৰ মাজতে বিজেপিয়ে অসমৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত ১২টা সমষ্টিৰ সম্ভাব্য প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰিবলৈ সমষ্টি ভিত্তিত আহ্বায়ক, সহ-আহ্বায়ক নিযুক্তি দিছে৷ বিজেপিৰ ৰাষ্ট্ৰীয় সমিতিয়ে বৰপেটা আৰু কোকৰাঝাৰ সমষ্টিক এৰি ১২টা সমষ্টিত সম্ভাব্য প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰি তালিকা দিল্লীলৈ প্ৰেৰণৰ নিৰ্দেশ দিছে৷ ১২ গৰাকী আহ্বায়ক আৰু ১২গৰাকী সহ-আহ্বায়ক নিযুক্তি দি বিজেপিয়ে ২৭ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ হাতত তালিকা জমা দিব লাগিব৷ এই তালিকাখন লৈ ভবেশ কলিতাই দিল্লীলৈ উৰা মাৰিব৷ ভবেশ কলিতাৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও দিল্লীলৈ উৰা মাৰিব বুলি জানিব পৰা গৈছে৷ ১২টা লোকসভা সমষ্টিৰ বাবে সম্ভাব্য প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰিবলৈ গঠন কৰিবলৈ নিৰ্ধাৰণ কৰা তালিকাত নাই কোকৰাঝাৰ আৰু বৰপেটা সমষ্টিৰ নাম৷ কিয়নো কোকৰাঝাৰ সমষ্টি বিজেপিৰ সহযোগী দল ইউপিপিএলক
এৰি দিয়াৰ লগতে অগপক বৰপেটা সমষ্টি এৰি দিব বুলি চৰ্চা চলিছে৷ যাৰ ফলত এই দুই সমষ্টিত সম্ভাব্য প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰিবলৈ আহ্বায়ক নিযুক্তি দিয়া হোৱা নাই৷ অসম গণ পৰিষদে বৰপেটাৰ লগতে শোণিতপুৰ (তেজপুৰ) সমষ্টি দাবী কৰি আহিছে৷ কিন্তু শোণিতপুৰ সমষ্টি বিজেপিয়ে নিজৰ হাতত ৰাখিব বুলি এটা সূত্ৰই দাবী কৰিছে৷ কিয়নো পল্লৱ লোচন দাসক পুনৰ সাংসদ হিচাপে দিল্লীলৈ প্ৰেৰণ কৰা হ'ব৷ অন্যথাই বিধায়ক নিৰ্বাচিত হ'লে অসমত মন্ত্ৰীত্বৰ অন্যতম দাবীদাৰ হৈ পৰিলে হিমন্ত বিশ্ব শৰ্মাৰ বাবে সমস্যাৰ সৃষ্টি হ'ব বুলি ক'ব খোজে বিজেপিৰে একাংশ লোকে৷ যাৰ বাবে শোণিতপুৰ সমষ্টিটোত বিজেপিয়ে প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰিবলৈ আহ্বায়ক নিযুক্তি দিছে৷ ডিফু লোকসভা সমষ্টিত ডা০ ৰণোজ পেগুক আহ্বায়ক, ডিপ্লুৰঞ্জন শৰ্মাক সহ-আহ্বায়ক, কৰিমগঞ্জ লোকসভা সমষ্টিত অজন্তা নেওগক আহ্বায়ক, বিজুলী কলিতা মেধিক সহ-আহ্বায়ক, নগাওঁ লোকসভা সমষ্টিত কামাখ্য প্ৰসাদ তাছাক আহ্বায়ক, ৰেখাৰাণী দাস বড়োক সহ-আহ্বায়ক, ধুবুৰী লোকসভা সমষ্টিত পবিত্ৰ মাৰ্ঘেৰিটাক আহ্বায়ক, বিজয় কুমাৰ গুপ্তাক সহ-আহ্বায়ক, দৰং-ওদালগুৰি লোকসভা সমষ্টিত চন্দ্ৰমোহন পাটোৱাৰীক আহ্বায়ক, নৱ কুমাৰ দলেক সহ-আহ্বায়ক, গুৱাহাটী লোকসভা সমষ্টিত পৰিমল শুক্লবৈদ্যক আহ্বায়ক, অজয় কোঁৱৰক সহ-আহ্বায়ক, কাজিৰঙা লোকসভা সমষ্টিত পীযুষ হাজৰিকাক আহ্বায়ক, পল্লৱলোচন দাসক সহ-আহ্বায়ক, শোণিতপুৰত যোগেন মহনক আহ্বায়ক, অজয় কোঁৱৰক সহ-আহ্বায়ক, লখিমপুৰ লোকসভা সমষ্টিত সঞ্জয় কিষাণক আহ্বায়ক, ৰূপক শৰ্মাক সহ-আহ্বায়ক, ডিব্ৰুগড়ত ৰণজিৎ কুমাৰ দাসক আহ্বায়ক, মনোজ বৰুৱাক সহ-আহ্বায়ক, যোৰহাট লোকসভা সমষ্টিত জয়ন্তমল্ল বৰুৱাক আহ্বায়ক, পুলক গোহাঁইক সহ-আহ্বায়ক, শিলচৰ লোকসভা সমষ্টিত নন্দিতা গাৰ্লোচাক আহ্বায়ক, জয়ন্ত কুমাৰ দাসক সহ-আহ্বায়কৰ দায়িত্ব দিয়া হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নক্সাল নেতা বুলি অখিলক

মাওবাদীৰ সৈতে জড়িত থাকি অসমৰ যুৱকক ওড়িশাত প্ৰশিক্ষণৰ বাবে পঠাই অসমখনক অস্থিৰ কৰিব খোজাৰ অভিযোগ আনিছিল বিজেপিৰ নেতা-কৰ্মীয়ে৷ খোদ চিবিআইৰ তদন্তকাৰী দলে আদালতত অভিযোগ দিছিল৷ কিন্তু শপতনামাত তথ্য দাঙি ধৰিব নোৱাৰাত অখিল গগৈক পুনৰ গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে চিবিআইৰ দলে৷ কিন্তু আজিও অখিল গগৈক নক্সাল, মাওবাদী ৰূপে আক্ৰমণ কৰিবলৈ এৰা নাই বিজেপিৰ নেতা-কৰ্মীয়ে৷ আনহে নালাগে খোদ বিধানসভাত অখিল গগৈক নিষিদ্ধ ঘোষিত বিদ্ৰোহীৰ দৃষ্টিৰে চাবলৈ এৰা নাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই৷ আজি অখিল গগৈয়ে সদনত উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি অখিল গগৈক কেইবাবাৰো নক্সাল শব্দৰে দোহাৰে মুখ্যমন্ত্ৰীয়ে৷ অখিল গগৈক লৈ বিজেপিৰ মনত ঘৃণাৰ ভাব সোমাই আছে আজি আকৌ এবাৰ বিধানসভাৰ মজিয়াত প্ৰমাণ হ'ল৷ আজি বাজেট অধিবেশনৰ শেষৰটো দিনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈক আক্ৰমণ কৰিবলৈ গৈ নক্সাল বুলি অভিহিত কৰে৷ অসাংবিধানিক শব্দ ব্যৱহাৰ কৰি মুখ্যমন্ত্ৰীয়ে অখিল গগৈক তাচ্ছিল্য কৰাৰ পাছতো অধ্যক্ষই হস্তক্ষেপ কৰা নাছিল৷ ইপিনে মুখ্যমন্ত্ৰীয়ে বিধায়কক নক্সাল বুলি কোৱাৰ পাছতো বিৰোধী বিধায়কসকল চকুমুদা কুলি হৈ চাই আছিল৷ আজি সদনত শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে উত্থাপন কৰিছিল পুৰণি পেন্সন ব্যৱস্থা বাহাল কৰাক লৈ এটা প্ৰশ্ন৷ অখিল গগৈয়ে সদনত নতুন পেন্সন ব্যৱস্থা চমুকৈ এনপিএছ ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা অ'পিএছ কৰাৰ বিষয়ত প্ৰশ্ন আনে৷ শাসক পক্ষৰ মন্ত্ৰী-বিধায়কৰ কথাৰ মাজে মাজে অখিল গগৈয়ে এই বিষয়টো উত্থাপন কৰাৰ প্ৰয়াস কৰিছিল৷ সেই সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সদনত থিয় হৈ অ'পিএছ ব্যৱস্থা বাহাল কৰিলে কি কি অসুবিধা হ'ব পাৰে সেই কথা উল্লেখ কৰিবলৈ আৰম্ভ কৰিছিল৷ একপ্ৰকাৰ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে দাবী কৰি অহা অ'পিএছ ব্যৱস্থাক মুখ্যমন্ত্ৰীয়ে নস্যাৎ কৰাত মুখ্যমন্ত্ৰীৰ ভাষণৰ মাজতে থিয় দি অখিল গগৈয়ে আপুনি কিয় অ'পিএছ ব্যৱস্থা বাহাল নকৰিব বুলি উভতি ধৰে মুখ্যমন্ত্ৰীক৷ তেতিয়া মুখ্যমন্ত্ৰীয়ে অখিল গগৈৰ পিনে হাত দেখুৱাই আঙুলি টোৱাই কয় 'এনেকৈ বেনেটটো লগাই ক'ব নে নাই কওক৷ এনেকৈ নক্সালৰ কেম্পত হয়৷ বিধানসভাত নহয়৷ গতিকে এইটো মই উত্তৰ নিদিওঁ৷ মৰি গলেও মই উত্তৰ নিদিওঁ৷ এনেকৈ নক্সাল কেম্পত হয়৷ সেই কাৰণে চানমাৰি কোৰ্টত নে ক'ত কেচো চলি আছে৷' উল্লেখ্য যে, সদনত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত প্ৰায় ৪ লাখ চৰকাৰী কৰ্মচাৰী আছে। অ'পিএছত প্ৰায় ১,৭৫,৯৯৮ জন আৰু এনপিএছত প্ৰায় ২ লাখ ৮৫ হাজাৰ কৰ্মচাৰী আছে। ইয়াৰ প্ৰায় ১ লাখ ৫০ হাজাৰে বিজেপি চৰকাৰৰ দিনত লাভ কৰা চাকৰিয়াল। যিসকল চাকৰিয়ালৰ বয়স কম, ৩৫ বছৰ চাকৰি কৰিব পাৰিব৷ সেইসকলে কেতিয়াও এনপিএছক লৈ প্ৰতিবাদ কৰা নাই।

# খঙত টিঙিৰি তুলা মুখ্যমন্ত্ৰীক আসনত জঁপিয়াই সমৰ্থন বিধায়কৰ

**ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ** চলিত বাজেট অধিৱেশনত দুদিন পূৰ্বে জলসিঞ্চন বিষয়ত অখিল গগৈৰ প্ৰস্তাৱৰ সময়ত বেলট ভোট অনুষ্ঠিত কৰাত শলঠেকত পৰিছিল বিজেপি চৰকাৰ৷ বেলট ভোটৰ সময়ত বিজেপি আৰু সহযোগী দলৰ ভোটৰ সংখ্যা কম থকাত ফোন কৰি বিধায়কক সদনলৈ মাতি আনিবলগীয়া হৈছিল শাসকীয় পক্ষই৷ তাৰ পাছতে আজি বিৰোধীক উভতি ধৰি উগ্ৰ ৰূপত দেখা গ'ল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক৷ খঙত টিঙিৰি তুলা হৈ পৰা মুখ্যমন্ত্ৰীয়ে চিঞৰি চিঞৰি বিৰোধীক আক্ৰমণৰ কৰে৷ অসম বিধানসভাৰ আজি অন্তিমটো দিনত ড০ হিমন্ত বিশ্ব শৰ্মাৰ উগ্ৰমূৰ্তিৰ সময়ত সতীৰ্থ বিধায়কসকলে একপ্ৰকাৰ আসনৰ পৰা জঁপিয়াই হাত তালি বজোৱা দেখা যায়৷ আজি সদনত মুছলমান বিবাহ-বিচ্ছেদ পঞ্জীয়ন আইন বাতিলক লৈ বিৰোধী ইউডিএফৰ বিধায়কে তীব্ৰ আপত্তি দৰ্শাই শাসকীয় পক্ষক আক্ৰমণ কৰে৷ তেনে সময়তে মুখ্যমন্ত্ৰীয়ে শাসকীয় পক্ষৰ তৰফৰ পৰা বিৰোধীক প্ৰত্যুত্তৰ দিবলৈ থিয় হয়৷ মুখ্যমন্ত্ৰীয়ে হাত জোকাৰি জোকাৰি ভাষণ আৰম্ভ কৰি খঙত টিঙিৰি তুলা হৈ পৰে৷ মুখ্যমন্ত্ৰীৰ ওচৰত বহি থকা বিধায়ককেইজনে একপ্ৰকাৰ জঁপিয়াই মুখ্যমন্ত্ৰীক সমৰ্থন কৰিবলৈ ধৰে৷ আজি বিধানসভাৰ বাজেট অধিৱেশন অন্তিম দিন। অন্তিম দিনটোত মুছলিম বিবাহ আইন খাৰিজক লৈ সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। এই আইনখনক লৈ সদনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় 'মই জীয়াই থকালৈকে ৫-৬ বছৰীয়া কিশোৰীৰ বিয়া হ'বলৈ নিদিওঁ৷' আইন বাতিলৰ বিৰোধিতা কৰা ইউডিএফৰ বিধায়কক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয় মই জীয়াই থকালৈকে বাল্য বিবাহ হ'বলৈ নিদিওঁ। বাল্যবিবাহৰ বিৰুদ্ধে চৰকাৰে লোৱা পদক্ষেপক সমালোচনা কৰাত ইউডিএফ সমালোচনা কৰি বিধানসভা বাল্য বিবাহৰ নামত কিশোৰ আৰু কিশোৰীৰ বিয়াৰ নামত ব্যৱসায় বন্ধ কৰিবলৈ সতৰ্ক কৰি দিয়ে। মই জীৱিত অৱস্থাত ৰাজ্যত কেতিয়াও বাল্য বিবাহৰ ব্যৱসায় চলিবলৈ নিদিওঁ। যেতিয়ালৈকে হিমন্ত বিশ্ব শৰ্মা জীয়াই আছে, আমি অসমত বাল্য বিবাহৰ অনুমতি নিদিওঁ। মই আপোনালোক সকলোকে ৰাজনৈতিকভাৱে প্ৰত্যাহ্বান জনাব বিচাৰো যে ২০১৬ চনৰ পূৰ্বে মই বাল্য বিবাহৰ দোকান আৰু ব্যৱসায় বন্ধ কৰিম। কংগ্ৰেছকো লক্ষ্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আপোনাৰ লাজ নাই নেকি? ৫-৬ বছৰীয়াৰ বাল্য বিবাহৰ সপক্ষে কথা কয়।

# বন্ধ হোৱাৰ উপক্ৰম বিজেপিৰ আদৰ্শ পুৰুষৰ নামত স্থাপিত মহাবিদ্যালয়!

## ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংসৰ আখৰা, বিবুধিত সচেতন মহল

**ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ** অসমত ৰাজহুৱা শিক্ষা ব্যৱস্থা বৰ্তি থাকিবনে? এই প্ৰশ্নৰ অৱতাৰণা এতিয়া চৌদিশে হ'বলৈ ধৰিছে৷ ব্যক্তিগত খণ্ডৰ শিক্ষা ব্যৱস্থা অধিক টনকীয়াল হোৱাৰ সময়তে ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ পৰিসৰ দিনক দিনে হ্ৰাস কৰা হৈছে৷ বাজেটত ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ বাবে কম ধন দিয়াৰ সমানে স্কুল-কলেজ বন্ধ কৰি আহিছে ৰাজ্য চৰকাৰে৷ ঋণ লৈ চৰকাৰখনে হিতাধিকাৰী বৃদ্ধি কৰিছে যদিও গৰীৱ-দৰিদ্ৰৰ সন্তানে পঢ়া শিক্ষা ব্যৱস্থাক টনকীয়াল কৰিবলৈ ব্যৱস্থা লোৱাত অনীহা প্ৰকাশ কৰিছে ৰাজ্য চৰকাৰে৷ ইয়াৰ পৰিণাম ভয়াবহ হ'বলৈ গৈ আছে বুলি বিভিন্ন মহলে সময়ে সময়ে সকীয়াই আহিছে৷ ইমানৰ পাছতো ৰাজহুৱা শিক্ষা ব্যৱস্থাক অত্যাধুনিক কৰিবলৈ কোনো পন্থা হাতত লোৱা নাই ৰাজ্য চৰকাৰখনে৷ বিদ্যালয়ৰ পাছতে এইবাৰ চৰকাৰখনে মহাবিদ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত লৈছে৷ ৰাজহুৱা শিক্ষাখণ্ডৰ প্ৰাথমিক বিদ্যালয়, চৰকাৰী মাধ্যমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সহ ৬২৬২ খন চৰকাৰী বিদ্যালয় বন্ধ কৰি দিছে ৰাজ্য চৰকাৰে৷ অখিল গগৈৰ এক প্ৰশ্নৰ উত্তৰ দি সদনত এই তথ্য দাখিল কৰিছিল ৰাজ্য চৰকাৰে৷ এইবাৰ পোহৰলৈ আহিছে মহাবিদ্যালয় বন্ধ কৰিব খোজাৰ বিশেষ নিৰ্দেশনা৷ ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ অধীনৰ ৭৯ খন মহাবিদ্যালয় সম্পূৰ্ণ ৰূপে বন্ধ কৰিব ৰাজ্য চৰকাৰে৷ ইয়াৰ মাজত আছে পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ো৷ এই পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় স্থাপন কৰাৰ সময়তে ৰাজ্য চৰকাৰে ব্যাপক বিৰোধৰ সন্মুখীন হ'বলগীয়া হৈছিল৷ অসমৰ সমাজত জীৱনত অৰিহণা যোগোৱা বিশিষ্ট লোকৰ নামত মহাবিদ্যালয়ৰ নিৰ্মাণ কৰাৰ দাবী উত্থাপন কৰিছিল যদিও আকোৰগোজ অসম চৰকাৰে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ নামত মহাবিদ্যালয় স্থাপন কৰিছিল৷ পণ্ডিত দীনদয়াল উপাধ্যায় হৈছে বিজেপিৰ আদৰ্শ পুৰুষ৷ দীনদয়াল উপাধ্যায়ৰ হিন্দুত্ববাদী মতাদৰ্শৰ কথা কৈ বিজেপিয়ে হিন্দুত্ববাদৰ ৰাজনীতি কৰে৷ যিগৰাকী আদৰ্শ পুৰুষৰ নামত মহাবিদ্যালয় স্থাপন কৰিছিল সেই মহাবিদ্যালয় এতিয়া বন্ধ কৰাৰ ফৰমান জাৰি কৰিছে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে৷ দীনদয়াল উপাধ্যায়ৰ নামত নিৰ্মাণ কৰা আমজঙা পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, বিহালী পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, ইৰালিগুল পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় ৰাজ্য চৰকাৰে বন্ধ কৰিব৷ ৪ খন চৰকাৰী মডেল কলেজ দেইথৰ, বৰখলা, কাজিৰঙা আৰু কাকপথাৰ মহাবিদ্যালয়ো বন্ধ কৰিব ৰাজ্য চৰকাৰে৷ এই খবৰ প্ৰচাৰ হোৱাৰ পাছতে ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে৷ মহাবিদ্যালয়সমূহ চৰকাৰী ধনেৰে নিৰ্মাণ কৰা হৈছিল৷ বিদ্যালয়ৰ ভূমি আৰু গৃহসমূহ চৰকাৰে কি কৰিব বুলি প্ৰশ্ন উঠিছে৷ কোনো পুঁজিপতি গোষ্ঠীক গটাব নেকি বুলি প্ৰশ্ন উত্থাপন হৈছে৷ ৰাজ্য চৰকাৰে বিদ্যালয়সমূহৰ দৰেই মহাবিদ্যালয়সমূহো একত্ৰীকৰণ কৰিব খুজিছে। ৫০০ তকৈ কম শিক্ষাৰ্থী থকা ৭৯ খন চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু পৰিচালনা সমিতিৰে হোৱা বৈঠকৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি ঘোষণা কৰিছে শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। শিক্ষানুষ্ঠানসমূহত খালী হৈ থকা পদসমূহ পূৰণ নকৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে মহাবিদ্যালয়সমূহ একত্ৰীকৰণৰ বাবে খচৰা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে শিক্ষামন্ত্ৰী পেগুৱে। প্ৰায় ৬ হাজাৰ স্কুল বন্ধ কৰাৰ আৰ্হিৰে শিক্ষা বিভাগে মহাবিদ্যালয়সমূহ বন্ধ কৰিব। ক্ৰমে ৰাজ্য চৰকাৰে মহাবিদ্যালয়তো তলা ওলোমাই ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংস কৰিব খুজিছে নেকি? চলিত বাজেট অধিবেশনত শিক্ষা বিভাগৰ পৰা বিদ্যালয়ৰ সংখ্যা সন্দৰ্ভত সম্পৰ্কীয় কেইবাটাও তথ্য বিচাৰি প্ৰশ্ন দাখিল কৰিছিল অখিল গগৈয়ে৷ ২০১৬ চনত চৰকাৰী বিদ্যালয়ৰ সংখ্যা কিমান আছিল আৰু এতিয়া কিমান শিক্ষানুষ্ঠান আছে৷ কিমান বিদ্যালয় বন্ধ হ'ল৷ কিমান বিদ্যালয় একত্ৰিত কৰা হ'ল৷ ইয়াৰ উত্তৰ জানিব খুজিছিল অখিল গগৈয়ে৷ সদনত উত্তৰ দাখিল কৰি ৰাজ্য চৰকাৰে ভয়াবহ তথ্য দাখিল কৰি অসমত বৰ্তমান চৰকাৰী প্ৰাথমিক বিদ্যালয় ৩৩,৯৩৭ খন থকা বুলি চৰকাৰে তথ্য দাখিল কৰিছিল৷ ২০১৬ চনত এই সংখ্যা আছিল ৩৯,৯৮৬৷ কিন্তু পৰিতাপৰ কথা এয়াই যে ২০১৬ চনত বিজেপিয়ে শাসন হাতত লোৱাৰ সময়তে অসমত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা আছিল ৩৯,৯৮৬ খন৷ এতিয়া চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা হৈছে ৩৩,৯৩৭ খন৷ তাৰ মানে এয়াই যে বিজেপি চৰকাৰৰ দিনত অসমত ৬০৪৯খন চৰকাৰী প্ৰাথমিক বিদ্যালয় বন্ধ কৰা হৈছে৷ আনহাতে বিভিন্ন কাৰণত আৰু একত্ৰিকৰণৰ ফলত চৰকাৰে চৰকাৰী মাধ্যমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় একেবাৰেই বন্ধ কৰা হৈছে৷ মুঠ ২১৪ খন চৰকাৰী মাধ্যমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় একেবাৰেই বন্ধ কৰা হৈছে৷

## দুই শিক্ষানুষ্ঠানক সময় বান্ধি দিলে সন্মিলিত সনাতন সমাজে

# হিন্দুত্ববাদীৰ টাৰ্গেট গুৱাহাটীৰ খ্ৰীষ্টান মিচনেৰী

**ই, সংবাদ, ২৬জানুৱাৰীঃ** এইবাৰ হিন্দুত্ববাদীৰ টাৰ্গেট হৈ পৰিছে একাংশ বিশেষ শিক্ষানুষ্ঠান৷ এই শিক্ষানুষ্ঠানসমূহক টাৰ্গেট কৰি একাংশ হিন্দুত্ববাদী তথা হিন্দুত্ববাদী সংগঠন বৈষম্য কৰাৰ লগতে ব্যাপক হাৰত হাৰাশাস্তি কৰাৰ অভিোগ উত্থাপন হৈছে৷ দেশ স্বাধীন হোৱাৰ পূৰ্বে আৰু স্বাধীনোত্তৰ কালত অসমৰ শিক্ষাখণ্ডত ব্যাপক অৰিহণা যোগাই আহিছে এই শিক্ষানুষ্ঠানসমূহে৷ চৰকাৰী শিক্ষা ব্যৱস্থাই ঢুকি নোপোৱা এলেকাত দৰিদ্ৰ লোকৰ লগতে অত্যন্ত পিছপৰা এলেকাত শিক্ষাৰ পোহৰ বিলোৱা এই শিক্ষানুষ্ঠানসমূহ হৈছে খ্ৰীষ্টান মিচনেৰী৷ খ্ৰীষ্টান মিচনেৰীসমূহক লৈ ব্যাপক আপত্তিজনক মন্তব্য প্ৰদান কৰি আহিছে একাংশ হিন্দুত্ববাদী সংগঠন তথা ব্যক্তিবিশেষে৷ সঘনাই এনে শিক্ষানুষ্ঠানৰ প্ৰতি বিষোদগাৰ প্ৰকাশ কৰি অহা হিন্দুত্ববাদী সংগঠনে এইবাৰ পোষ্টাৰিং কৰি শিক্ষানুষ্ঠানসমূহৰ শৈক্ষকি পৰিৱেশ বিনষ্ট কৰিব খোজাৰ অভিযোগ উত্থাপন হৈছে৷ যোৰহাট আৰু ডিব্ৰুগড়তো স্কুল কৰ্তৃপক্ষক কিছুদিন পূৰ্বে হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছিল৷ ডিব্ৰুগড়ৰ লিচুবাৰী ডন বস্কো হাই স্কুল আৰু যোৰহাটৰ কাৰমেল স্কুলৰ চৌহদত পোষ্টাৰ আঁৰি দিছিল।এইবাৰ একেই পন্থা অৱলম্বন কৰিছে ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত৷ মহানগৰীৰ দুখন শিক্ষানুষ্ঠানক হাৰাশাস্তি কৰাৰ অভিযোগ উঠিছে৷ শেহতীয়াকৈ এখন পোষ্টাৰ লগাই খ্ৰীষ্টান মিচনেৰীৰ স্কুল কৰ্তৃপক্ষক সকীয়াই দিছে সন্মিলিত সনাতন সমাজ নামৰ হিন্দুত্ববাদী সংগঠনটোৱে৷ স্কুলৰ পৰা যীশুৰ মূৰ্তি আতৰাবলৈ ধমক দিছে৷ শিক্ষানুষ্ঠানসমূহৰ পৰা সকলো ধৰ্মীয় প্ৰতীক, পোছাক সম্পূৰ্ণৰূপে পৰিহাৰ কৰিবলৈ কয় সন্মিলিত সনাতন সমাজে। গুৱাহাটীৰ খ্ৰীষ্টান মিচনেৰী স্কুলত এনে পোষ্টাৰ লগাইছে হিন্দুত্ববাদী সংগঠনটোৱে। গুৱাহাটীৰ দুখন খ্ৰীষ্টান মিচনেৰীৰ বিদ্যালয় ডন বস্কো স্কুল আৰু ছেইণ্ট মেৰী স্কুলৰ বাহিৰত খ্ৰীষ্টান বিৰোধী পোষ্টাৰ আঁৰি দিয়া হৈছে৷ বিদ্যালয়ত পোষ্টাৰ লগাই স্কুলৰ পৰা যীশুৰ মূৰ্তি, ধৰ্মীয় প্ৰতীক আৰু পোছাক আতৰাবলৈ সময় নিৰ্ধাৰণ কৰি দিয়ে। গুৱাহাটীৰ ডন বস্কোৰ ফাদাৰ চেবাষ্টিয়ান মেথিউৱে কয় যে আমি সমাজৰ সেৱা কৰাৰ লক্ষ্যহে নিৰ্ধাৰণ কৰিছো৷ আন কাৰোবাক লক্ষ্য কৰি লোৱা নাই। আমি কাৰো বাবে কাম কৰা নাই বা কাকো প্ৰৰোচিত কৰা নাই৷ আমি সকলোৰে বাবে। পোষ্টাৰ যোগে খ্ৰীষ্টান মিচনেৰী শিক্ষানুষ্ঠানসমূহক দেশৰ সংবিধানৰঅনুচ্ছেদ ৫১(ক) মতে, ভাৰতীয় নাগৰিকৰ দায়িত্ব পালন কৰাৰ আহ্বান জনায়৷ খ্ৰীষ্টান মিচনেৰীক বিভ্ৰান্তিকৰ কাৰ্যকলাপৰ পৰা বিৰত থাকি ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ভাৰতীয় হোৱাৰ গৌৰৱ অৰ্জন কৰবলৈও কয় সংগঠনটোৱে।শিক্ষানুষ্ঠানৰ পৰা ধৰ্মীয় প্ৰতীক, পোছাক সম্পূৰ্ণৰূপে পৰিহাৰ কৰি নতুন শিক্ষা নীতিক উপেক্ষা কৰাৰ প্ৰথা বন্ধ কৰাৰো অভিযোগ আনে৷ সকলো পিনৰ পৰা খ্ৰীষ্টান প্ৰতিষ্ঠানসমূহক হাৰাশাস্তিৰ কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে৷

# ‘মূৰ দাঙি উঠিব, অসমত আকৌ হ’ব কংগ্ৰেছ চৰকাৰ!’

**ই সংবাদ, ২৬ফেব্ৰুৱাৰীঃ** এজনৰ পিছত আনজন নেতাই দল ত্যাগ কৰাৰ পাছতো কংগ্ৰেছ দলক লৈ আশাবাদী বিধায়ক জাকিৰ হুচেইন শিকদাৰ। নেতা নহয়, কৰ্মীৰ বাবে দল শক্তিশালী হয় বুলি মন্তব্য কৰি বিধায়কগৰাকীয়ে কয় যে, কংগ্ৰেছ শেষ হোৱা নাই। পুনৰ মূৰ দাঙি উঠিব কংগ্ৰেছ। আনজন নেতাই দল এৰা প্ৰসংগক লৈ সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত এই মন্তব্য কৰে কংগ্ৰেছ বিধায়কগৰাকীয়ে। শেহতীয়া কংগ্ৰেছত পদত্যাগৰ জোঁৱাৰক লৈ  অসমত পুনৰ কংগ্ৰেছ চৰকাৰ হব বুলি দৃঢ়তাৰে মন্তব্য কৰে জাকিৰ হুচেইন শিকদাৰে। উল্লেখ কৰা প্ৰয়োজন যে, শেহতীয়াকৈ এজনৰ পাছত বিধায়কগৰাকীয়ে লগতে কয়- ভাল দিন আহিব।  ৰাইজেই ৰজা গতিকে সময়লৈ অপেক্ষা কৰিলে ৰাইজেই সকলোকে সকলো প্ৰশ্নৰ উত্তৰ দিব। আনফালে জাকিৰ হুচেইন শিকদাৰে কংগ্ৰেছ এৰা বিষয়টো অপ্ৰাসংগিক বুলিও উল্লেখ কৰে।

## গোলাঘাটত নৱাগত কংগ্ৰেছ সভাপতি গোলাপ শইকীয়াক আদৰণি

# অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত উৎপল দলেৰ কংগ্ৰেছত যোগদান

**ই-সংবাদ, খুমটাইঃ** মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি গামোচা পিন্ধোৱাৰ পাছতে গোলাঘাট কংগ্ৰেছৰ সভাপতি দাদু টায়েক পদবীৰ পৰা অপসাৰণ কৰাৰ লগতে দলৰ পৰা ৬ বছৰৰ বাবে বহিস্কাৰ কৰিছিল দলটোৱে৷ তাৰ পাছতে উজনি অসমৰ জ্যেষ্ঠ নেতা গোলাপ শইকীয়াক গোলাঘাট কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব প্ৰদান কৰে ৰাজ্যিক কংগ্ৰেছে৷ নতুন দায়িত্ব লৈ আজি গোলাঘাটত উপস্থিত হোৱা গোলাপ শইকীয়াক উষ্ম আদৰণি জনায় কংগ্ৰেছৰ নেতা-কৰ্মীয়ে৷ গোলাঘাট সদৰত বাইক ৰেলী কৰি আদৰণি জনোৱা পৰিলক্ষিত হয়৷ সাংসদ গৌৰৱগগৈ, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ উপস্থিতিত গোলাঘাটত গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে গোলাপ শইকীয়াই। তাৰ পাছতে গোলাঘাট জিলা কংগ্ৰেছ কাৰ্যালয়ত অনুষ্ঠিত এখন সভাত অৱসৰপ্ৰাপ্ত এচিএছ বিষয়াসহ ২০০ৰো অধিক বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিয়ে কংগ্ৰেছত যোগদান কৰে৷ প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, সাংসদ গৌৰৱ গগৈৰ উপস্থিতিত অৱসৰপ্ৰাপ্ত অতিৰিক্তউপায়ুক্ত উৎপল দলে, দেৰগাঁও উদয়ন একাডেমীৰ অধ্যক্ষ শিক্ষাবিদ ভাস্কৰ বৰাৰ লগতে বিজেপি-অগপৰ বহু কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। সভাত ৰাজ্যিক কংগ্ৰেছৰ সম্পাদিকা পল্লৱী গগৈ, সাধাৰণ সম্পাদক বিতোপন শইকীয়া, প্ৰাক্তন বিধায়িকা ৰজলীনা তীৰ্কি, বোকাখাট সমষ্টিৰ প্ৰাক্তন বিধায়িক অৰুণ ফুকন, প্ৰদেশ যুৱ-কংগ্ৰেছৰ উপ-সভাপতি সাগৰিকা বৰা উপস্থিত থাকে৷

# দিছপুৰ কঁপাই গ'ল ক্ষুব্ধ অংগনবাড়ী কৰ্মী-সহায়িকাই

**ই-সংবাদ, গুৱাহাটী, ২৬ফেব্ৰুৱাৰীঃ** আজি অসম বিধানসভাৰ বাজেট অধিবেশনৰ শেষ দিনটোতে অসম বিধানসভা ঘেৰাও কৰাৰ প্ৰয়াস কৰে কেইবা শ মহিলাই৷ হঠাতে মহিলাসকলে বিধানসভা অভিমুখে যাত্ৰা কৰাত বিবুদ্ধিত পৰে গুৱাহাটী আৰক্ষী৷ পূৰ্বে নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি অংগনবাড়ী কৰ্মী আৰু সহায়িকাই চচলত প্ৰতিবাদ কৰাৰ কথা আছিল৷ কিন্তু একাংশ অংগনবাড়ী কৰ্মী আৰু সহায়িকাই খানাপাৰা-গণেশগুৰি পথেৰে দিছপুৰৰ চুপাৰ মাৰ্কেট এলেকাত উপস্থিত হয়৷ বিভিন্ন ঠাইৰে চুপাৰ মাৰ্কেট এলেকাত সমৱেত মহিলাই চৰকাৰ বিৰোধী শ্ল'গান দিবলৈ ধৰে৷ তেনে সময়তে মহিলাসকলক বাধা দিয়ে আৰক্ষীয়ে৷ দীৰ্ঘ সময় শ্ল'গান দিয়াৰ অন্তত আৰক্ষীয়ে মহিলাসকলক বুজাই-পৰাই আতৰাবলৈ সক্ষম হয়৷ মহিলাসকলে বিভিন্ন প্ৰান্তৰ পৰা গুৱাহাটীলৈ আহিছিল বুলি জানিব পৰা গৈছে৷ কেইবাটাও দাবী পূৰণ কৰাৰ আহ্বান জনায় মহিলাসকলে৷

## তিনিদিনত কংগ্ৰেছক শূন্য কৰিব জয়ন্তমল্লই

**ই সংবাদ, ২৬ফেব্ৰুৱাৰীঃ**কংগ্ৰেছৰ ইজনৰ পাছত সিজন নেতা-বিধায়কে দল এৰাৰ সময়তে বিজেপি নেতা অত্যুৎসাহী হৈ পৰিছে৷ কংগ্ৰেছক ইচ্ছা কৰিলেই । নেতা নেতা দল কৰিব পাৰিম বুলি দম্ভালি মাৰিবলৈ আৰম্ভ কৰিছে বিজেপিৰ নেতা-মন্ত্ৰীয়ে৷ এইবাৰ কংগ্ৰেছ দল শূন্য কৰাৰ দম্ভালি মাৰিছে নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই৷ জয়ন্তমল্ল বৰুৱাই দাবী কৰি কয় যে মই ইচ্ছা কৰিলেই কংগ্ৰেছ দল শূন্য হৈ পৰিব৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে বৰপেটাৰ মইনবড়ী সত্ৰত এক কাৰ্যসূচীত অংশ লৈ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কয় যে মই ইচ্ছা কৰিলে তিনিৰ ভিতৰত কংগ্ৰেছ শূন্য কৰি দিব পাৰো৷ দলে মোক দায়িত্ব দিয়ে তেন্তে তিনিদিনতে কংগ্ৰেছ শূন্য কৰিব পাৰো

# প্ৰাক্তন পাক প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফৰ কন্যা পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ মুখ্যমন্ত্ৰী নিৰ্বাচিত

**ই সংবাদ, ২৬ফেব্ৰুৱাৰীঃ** সোমবাৰে ঘোষিত হোৱা পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ মুখ্যমন্ত্ৰী নিৰ্বাচনৰ ফলাফলত বিজয় লাভ কৰি ইতিহাস ৰচনা কৰিবলৈ সক্ষম হ'ল প্ৰাক্তন প্ৰাক প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফৰ কন্যা মৰিয়ম নৱাজে। পঞ্জাৱৰ প্ৰথমগৰাকী মহিলা মুখ্যমন্ত্ৰী হিচাপে ইতিহাসৰ পাতত নিজৰ নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হোৱা মৰিয়ম নৱাজে ২২০টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী চুন্নী ইত্তহাদ কাউন্সিলৰ প্ৰাৰ্থী ৰানা আফতাব আহমেদক পৰাস্ত কৰে। উল্লেখ্য যে, এই মুখ্যমন্ত্ৰী নিৰ্বাচনত চুন্নী ইত্তহাদ পৰিষদৰ সদস্যসকলে ভোট বৰ্জন কৰাৰ পৰিপ্ৰেক্ষিত শূণ্য ভোট লাভ কৰে ৰানা আফতাব আহমেদে। মালিক আহমেদ খানে ইতিমধ্যে স্পষ্ট কৰি দিছিল যে কেৱল মুখ্যমন্ত্ৰীৰ পদৰ বাবে ভোটদানব্যক্তিগত নিৰাপত্তাৰক্ষী হিচাপে নিয়োজিত থকা আৰু পাকিস্তান সেনাবাহিনীৰ অধিনায়ক হিচাপে কামকৰা চফদাৰ আৱানৰ সৈতে বিবাহপাশত আবদ্ধ হয় মৰিয়ম। তিনি সন্তানৰ মাতৃ মৰিয়মে ২০২৪ চনৰ অনুষ্ঠিত হ'ব আৰু বিধানসভাৰ কোনো সদস্যক কথা কোৱাৰ সুযোগ দিয়া নহ'ব। ইয়াৰ পিছত অনুষ্ঠিত হোৱা ভোটদানত মৰিয়ম নৱাজে সহজেই জয়লাভ কৰে। ইয়াৰ পূৰ্বে পঞ্জাৱ বিধানসভাৰ সদস্যৰ শপত গ্ৰহণ অনুষ্ঠানত ৩৭১ জন সদস্যৰ ভিতৰত ৩২১ জন সদস্যই শপত গ্ৰহণ কৰে। নৱাজ শ্বৰীফৰ দল পিএমএল-এন পঞ্জাৱ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ নিৰ্বাচনতো জয়লাভ কৰে। পিএমএল-এনৰ মালিক মহম্মদ আহমেদ খানে ২২৪টা ভোট লাভ কৰি অধ্যক্ষ নিৰ্বাচিত হয়। আনহাতে মালিক জহীৰ চানেৰ উপাধ্যক্ষ নিৰ্বাচিত হয়। উল্লেখ্য যে, পাকিস্তানৰ প্ৰাক্তনপ্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফৰ জ্যেষ্ঠ কন্যা মৰিয়ম নৱাজে পিতৃৰ পদাংক অনুসৰণ কৰি ২০১২ চনত ৰাজনীতিত প্ৰৱেশ কৰিছিল। ১৯৯২ চনত নৱাজ শ্বৰীফৰসাধাৰণ নিৰ্বাচনত প্ৰথমবাৰৰ বাবে পাকিস্তান আৰু পঞ্জাৱ বিধানসভাৰ ৰাষ্ট্ৰীয় বিধানসভালৈ নিৰ্বাচিত হৈছে। পাকিস্তান মুছলিম লীগ নৱাজৰ ৫০ বছৰীয়া জ্যেষ্ঠ নেত্ৰীগৰাকীয়ে কয় যে তেওঁ কাৰাগাৰৰ দৰে কঠিন সময় পাৰ কৰি আহিছে যদিও তেওঁক শক্তিশালী কৰাৰ বাবে বিৰোধীসকলক ধন্যবাদ জনায়। তেওঁ কয় "মোৰ কোনো প্ৰতিশোধ বা প্ৰত্যাক্ৰমণৰ অনুভূতি নাই। মোৰ পিতৃক কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ল, সেই দুখত মোৰ মাতৃৰ বিয়োগ ঘটিল। কিন্তু মোৰ ব্যক্তিগত প্ৰতিশোধৰ বিপৰীতে মই জনতাৰ হকে কাম কৰিব বিচাৰিম।" মৰিয়ম নৱাজে লগতে কয়, "মোৰ প্ৰয়াত মাতৃক মই আজি ধন্যবাদ জনাইছো। মোক তেওঁ জানি বা অজানিতে আজিৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ প্ৰশিক্ষণ দিছিল। তেওঁ আজিও মোৰ হৃদয়ত আছে।" উল্লেখ্য যে, প্ৰাক্তন পাক প্ৰধানমন্ত্ৰী ইমৰান খানৰ বিৰুদ্ধে আটাইতকৈ সৰৱ আৰু বিতৰ্কিত বিৰোধী হিচাপে ইতিমধ্যেই চৰ্চা লাভ কৰিছিল মৰিয়মে।

# চিলাপথাৰত ভূমি পট্টা প্ৰদান মুখ্যমন্ত্ৰীৰ

**ই সংবাদ, চিলাপথাৰ, ২৬ফেব্ৰুৱাৰীঃ** ধেমাজি জিলাৰ চিলাপথাৰ দঃগ্ৰি পঃলঃ সাংস্কৃতিক প্ৰকল্পত নৱগঠিত ৭৯ নং চিচিবৰগাওঁ বিধানসভা সমষ্টিৰ ১২৫১০ গৰাকী খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। চিচিবৰগাওঁ সমষ্টিৰ বিভিন্ন প্ৰান্তৰ পৰা সমবেত হোৱা প্ৰায় অৰ্ধ লক্ষাধিক লোকৰ সন্মুখত বসুন্ধৰা ২.০ ৰ অধীনত পট্টা বিতৰণ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় - বিগত এবছৰ নমাহত চৰকাৰখনে যুগ যুগ ধৰি ভূমি পট্টাৰ পৰা বঞ্চিত হৈ থকা খিলঞ্জীয়া লোকে এইখন চৰকাৰৰ দিনত নিজৰ ভূমিৰ অধিকাৰ পাবলৈ সক্ষম হৈছে। চৰকাৰখনে বসুন্ধৰা ২.০ ৰ যোগে ৰাজ্যৰ প্ৰায় ২ লাখ খিলঞ্জীয়া লোকক পট্টা প্ৰদান কৰিবলৈ সক্ষম হৈছে।ইয়াৰ অংশৰূপে চিচিবৰগাওঁ সমষ্টিৰ প্ৰায় ১২,৫১০ জন ৰাইজে আজি পট্টা পাইছে। বংশগত বাবে অসমৰ জনজাতি ৰাইজক ৬০ বিঘা ভূমি লৈ মাটি ম্যাদি কৰিবলৈ সুযোগ দিয়া হৈছে। এতিয়াৰ পৰা অসমৰ ট্ৰাইবেল বেল্ট এণ্ড বক্লত আহোম, কোচ ৰাজবংশী, গোৰ্খা, মৰাণ মটক, চাহ জনগোষ্ঠী আৰু অনুসূচীত জাতিৰ লোকে ৩ প্ৰজন্মৰ নথি অবিহনেই পোনপটীয়াকৈ লাভ কৰিব ভূমি-পট্টা।১০০ লাখ টকা ব্যয় সাপেক্ষে পুনৰ নিৰ্মাণ কৰা চিচিবৰগাওঁ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ শুভ উদ্বোধন কৰাৰ লগতে চুমনি গাৰ পৰা আমগুৰিলৈ লোক নিৰ্মাণ বিভাগৰ অধীনত প্ৰায় গাইনদীৰ মাথাউৰিৰ সম্প্ৰসাৰণ (প্ৰথম পৰ্যায়), ৪খন শ্বাটাৰ চুইছসহ গাইনদীৰ মাথাউৰিৰ সম্প্ৰসাৰণ (দ্বিতীয় পৰ্যায়),জীয়াধল মাথাউৰিত ২০০ শ্বাটাৰ চুইছ নিৰ্মাণ, কুমটীয়াৰ বালিচাপৰিৰ পৰা হাতীগড় এলেকালৈ মাথাউৰি সম্প্ৰসাৰণ, আৱৰ্ত্ত ভৱন আৰু চিলাপথাৰত নগৰৰ ১৩৬৪ টা দৰিদ্ৰ পৰিয়ালৰ আৱাস গৃহ নিৰ্মাণৰ শিলান্যাস কৰে মুখ্যমন্ত্ৰীয়ে। অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱাৰ লগতে বিধায়ক ভুবন পেগু উপস্থিত থাকে।

# ওদালগুৰিত অমৃত ভাৰত ৰে'ল ষ্টেচনৰ শিলান্যাস প্ৰধানমন্ত্ৰীৰ

**ওদালগুৰি ২৬ ফেব্ৰুৱাৰীঃ** সমগ্ৰ ভাৰতবৰ্ষত অমৃত ভাৰত ষ্টেচন আচনিৰ অধীনত ৫৫৪ টা ৰেল ষ্টেচনৰ লগতে ওদালগুৰি জিলাৰ তিনিটা ৰেল ষ্টেচন ক্ৰমে ওদালগুৰি, টংলা আৰু মাজবাট ৰেল ষ্টেচন উন্নীত হব অমৃত ভাৰত ৰেল ষ্টেচনলৈ। উক্ত ৰেল ষ্টেচনসমূহৰ শিলান্যাস স্থাপন উপলক্ষে আজি সমগ্ৰ দেশবাসীক ভিডিঅ কনফাৰেঞ্চিঙৰ জৰিয়তে সম্বোধন দৰে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। দিনৰ প্ৰায় ১২:৪৭ বজাত প্ৰধানমন্ত্ৰী গৰাকীয়ে ভাৰতৰ ৰেলখণ্ডত ৪১ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে প্ৰায় দুইহাজাৰতকৈ অধিক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই উপলক্ষে ওদালগুৰি জিলাৰ তিনিওটা ৰেল ষ্টেচনত বিভাগটোৰ দ্বাৰা শিলান্যাসৰ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ওদালগুৰি সদৰস্থিত ৰেল ষ্টেচনৰ শিলান্যাস কাৰ্যসূচীত অংশগ্ৰহণ কৰি মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই চৰকাৰখনৰ বিভিন্ন দিশৰ উন্নয়ণৰ বিষয়সমূহৰ সন্দৰ্ভত মন্তব্য কৰে। তেওঁ আজিৰ দিনটোত তেওঁৰ অধীনস্থ লোকসভা সমষ্টিত ৰেলখণ্ডৰ উন্নয়ণৰ বাবে এশ কোটিতকৈ অধিক টকাৰ প্ৰকল্প লাভ কৰা বুলি উল্লেখ কৰে। লগতে আগন্তুক মোডীৰ পাঁচ বছৰ কাৰ্যকালত দৰং জিলাখন ৰেলৰ মানচিত্ৰত অন্তৰ্ভূক্ত কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে ওদালগুৰি জিলাৰ তিনিটা ষ্টেচন ক্ৰমে ওদালগুৰি, টংলা আৰু মাজবাট ৰেল ষ্টেচনৰ অনুনিকীকৰণৰ বাবে ইতিমধ্যে মুঠ ৪০.৪৯ কোটি টকা ধাৰ্য কৰা হৈছে ইয়াৰ ভিতৰত ওদালগুৰি ৰেল ষ্টেচনৰ বাবে ১৪.৩১ কোটি টকা, টংলা ৰেল ষ্টেচনৰবাবে ১৪.১৪ কোটি টকা আৰু মাজবাট ৰেল ষ্টেচনৰ বাবে ধাৰ্য কৰা হৈছে ১২.০৪ কোটি টকা। আটাইকেইটা ৰেল ষ্টেচনৰ উন্নীতকৰণৰ কাম ২০২৪ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। মন কৰিবলগীয়া যে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত উত্তৰ-পূবৰ ৬০ টা ষ্টেচন অত্যাধুনিক সুবিধা/সুবিধাৰে পুনৰ উন্নয়নৰ লক্ষ্য হাতত লোৱা হৈছে। নিৰ্বাচিত ৰেল ষ্টেচনসমূহৰ ভিতৰত অসমৰ ওদালগুৰি জিলাৰ উক্ত তিনিটা ৰেল ষ্টেচন অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ৪০.৪৯ কোটি টকা ব্যয়েৰে উন্নতমানৰ ৰেল ষ্টেচন লৈ পৰিণত হব। এই ষ্টেচনৰ পুনৰ নিৰ্মাণৰ ফলত ওচৰৰ অঞ্চলসমূহৰ ৰেলৱে ব্যৱহাৰকাৰীসকলক আধুনিক অত্যাধুনিক সুবিধা প্ৰদান কৰা হ'ব বুলি ৰেল বিভাগে আশা প্ৰকাশ কৰিছে। ওদালগুৰি জিলাৰ অন্তৰ্গত এই ৰেল ষ্টেচনকেইটা হৈছে উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ ৰঙিয়া সংমণ্ডলৰ অন্তৰ্গত ৰঙিয়া-মুৰ্কংচেলেক অংশৰ একোটা গুৰুত্বপূৰ্ণ ষ্টেচন। বৰ্তমানৰ ৰেল ষ্টেচনকেইটাৰ ভৱনসমূহ যাত্ৰীসকলৰ সুবিধাৰ্থে অৱসৰ লোৱা কক্ষ আৰু শেহতীয়া সুবিধাসমূহৰ সৈতে অপেক্ষা কক্ষৰ দৰে সুবিধাৰে উন্নত মানৰ সুবিধাৰে সম্প্ৰসাৰিত কৰা হ'ব। দিব্যাংগ অনুকূল ৰেম্প আৰু অন্যান্য আধুনিক সুবিধা যেনে লিফ্ট আৰু ফুট অভাৰ ব্ৰীজৰ সৈতে শৌচাগাৰৰ সুবিধাও প্ৰদান কৰা হ'ব। পুৰুষ আৰু মহিলা যাত্ৰীৰ বাবে পৃথকে পৃথকে নিৰ্মাণ কৰা হ'ব নতুন শৌচালয়।লগতে থাকিব অত্যাধুনিক বাহন ৰখোৱা স্থানৰ লগতে সৌন্দৰ্য বৰ্দ্ধিত বাবে ফুলনি। সকলো প্লেটফৰ্মতে যাত্ৰীসকলৰ আশ্ৰয়ৰ ব্যৱস্থা কৰা হ'ব আৰু যাত্ৰীসকলৰ বাবে সহজে চলাচল কৰিব পৰাকৈ মাৰ্বলৰশিল, টাইলছ আদিৰে নতুনত্ব কৰা হ'ব। যাত্ৰীসকলৰ প্ৰৱেশৰ প্ৰস্থান পথ সুন্দৰকৈ পৃথকে নিৰ্মাণ কৰা হ'ব, যাৰ ফলত যাত্ৰীসকলৰ বাবে উন্নত সুলভতা প্ৰদান কৰা হ'ব। উপৰোক্ত সকলো কামৰ বাবে নিবিদা প্ৰদান কৰাৰ সমান্তৰালভাৱে আৰম্ভ ষ্টেচনসমূহৰ নিৰ্মাণ কাৰ্য। ইতিমধ্যে নতুন ষ্টেচনৰ কামৰ সমান্তৰালভাৱে যাত্ৰীসকলৰ অন্যান্য সুবিধা যেনে কোচ গাইডেন্স ব'ৰ্ড স্থাপন, ৰে'লৰ তথ্য প্ৰদৰ্শন ব্যৱস্থা, প্লেটফৰ্ম সম্প্ৰসাৰণ, দিব্যাংজানৰ বাবে সহজলভ্য পানীৰ বুথৰ ব্যৱস্থা আদিৰ কামো চলি আছে। এই ষ্টেচনকেইটাৰ আধুনিকৰণৰ ফলত সংশ্লিষ্ট চহৰসমূহৰ লগতে সমীপৱৰ্তী অঞ্চলৰ যাত্ৰীসকলৰ বাবে নতুন কৰ্মসংস্থাপন, ব্যৱসায়িক সুযোগৰ নতুন পথৰ সৃষ্টি হোৱাৰ লগতে ভ্ৰমণৰ ক্ষেত্ৰত পূৰ্বৰ তুলনাত সহজতা লাভ কৰিব বুলি ৰেল বিভাগে আশা প্ৰকাশ কৰিছে। আজি ওদালগুৰি সদৰ ৰেল ষ্টেচনত আয়োজিত শিলান্যাস কাৰ্যসূচীত মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীকে প্ৰমূখ্য কৰি জ্যেষ্ঠ নাগৰিক, শিক্ষাৰ্থী তথা ৰেল বিভাগৰ বিষয়া কৰ্মচাৰী আৰু স্থানীয় লোক উপস্থিত থাকে।

# বিৰোধী ঐক্য মঞ্চত অংশগ্ৰহণ পিএলপিৰ

**গুৱাহাটী, ২৬ ফেব্ৰুৱাৰীঃ** বিৰোধী ঐক্য মঞ্চ, অসমত আজি পূৰ্বাঞ্চলীয় লোক পৰিষদ (পিএলপি) দলে আনুষ্ঠানিকভাৱে অংশগ্ৰহণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা বিৰোধী ঐক্য মঞ্চ, অসমৰ সভাপতি ভূপেন কুমাৰ বৰাৰ বাসভৱনত পূৰ্বাঞ্চলীয় লোক পৰিষদৰ সভাপতি চৰণ ডেকাৰ নেতৃত্বত এটা প্ৰতিনিধিৰ দলে বিজেপি বিৰোধী ঐক্য মঞ্চত অংশগ্ৰহণ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অসমৰ সিংহপুৰুষ নিবাৰণ বৰাৰ নেতৃত্বত গঢ় লৈ উঠা পূৰ্বাঞ্চলীয় লোক পৰিষদৰ সম্পাদক ৰাজকুমাৰ বৈশ্য, তপন কুমাৰ শৰ্মা আৰু সাংগঠনিক সম্পাদক সুজাতা শৰ্মাৰ উপস্থিতিত আজি বিৰোধী ঐক্য মঞ্চৰ এক আলোচনা অনুষ্ঠিত হয়। ঐক্য মঞ্চৰ সভাপতি ভূপেন কুমাৰ বৰাই জানিবলৈ দিয়া মতে অসমৰ আঞ্চলিক ৰাজনৈতিক দলৰ অন্যতম প্ৰতিনিধি পিএলপিয়ে এতিয়াৰে পৰা বিজেপিৰ বিৰুদ্ধে বিৰোধী ঐক্য মঞ্চৰ হৈ কাম-কাজ কৰিব।

# সন্দেশখালী কাণ্ড! তৃণমূলৰ মন্তব্যক লৈ ক্ষুব্ধ উচ্চ ন্যায়ালয়

**ই সংবাদ, ২৬ফেব্ৰুৱাৰীঃ** পশ্চিমবংগৰ সন্দেশখালীত মহিলাৰ ওপৰত নিৰ্যাতন আৰু ভূমি বেদখলৰ অভিযোগত অভিযুক্ত তৃণমূল কংগ্ৰেছৰ নেতা শ্বাহজাহান শ্বেইখৰ গ্ৰেপ্তাৰক কোনো নিষেধাজ্ঞা আৰোপ কৰা নাই ন্যায়ালয়ে। সোমবাৰে এই কথা স্পষ্ট কৰি দিয়ে কলকাতা উচ্চ ন্যায়ালয়ে। আদালতে অভিযুক্ত শ্বাহজাহান শ্বেইখন, ইডি, চিবিআই আৰু ৰাজ্যিক গৃহ সচিবক নিজাববীয়া গোচৰত পক্ষ হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ নিৰ্দেশ দি কয় যে যদি এজাহাৰত অভিযুক্ত হিচাপে শ্বেইখৰ নাম আছে, তেন্তে নিশ্চিতভাৱে তেওঁক গ্ৰেপ্তাৰৰ প্ৰয়োজন আছে। উল্লেখ্য যে, দেওবাৰে নিশা তৃণমূল কংগ্ৰেছৰ সাংসদ অভিষেক বেনাৰ্জীয়ে দাবী কৰিছিল যে আদালতে 'আৰক্ষীৰ হাত বান্ধি ৰখা'ৰ বাবেহে পশ্চিম বংগ চৰকাৰে শ্বেইখক গ্ৰেপ্তাৰ কৰিব পৰা নাই। সাংসদগৰাকীৰ এই মন্তব্যৰ স্পষ্টীকৰণ দি আজি উচ্চ ন্যায়ালয়ে কয় যে শ্বাহজাহান শ্বেইখৰ গ্ৰেপ্তাৰৰ ক্ষেত্ৰত আদালতে কোনো ধৰণৰ স্থগিতাদেশ জাৰি কৰা নাই। মন



কৰিবলগীয়া যে, সাংসদ অভিষেক বেনাৰ্জীয়ে দেওবাৰে সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত উচ্চ ন্যায়ালয়ৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয় যে আদালতৰ বাবেই সন্দেশখালী গোচৰৰ তদন্তত পলম হৈছে। ইফালে যোৱা ৫ জানুৱাৰীত ইডিৰ তদন্তকাৰী দলৰ ওপৰত সংঘটিত আক্ৰমণত সন্দৰ্ভত এছ আই টিৰ তদন্ততো আদালতে স্থগিতাদেশ জাৰি কৰা বুলি অভিযোগ কৰিছিল অভিষেকে। এই সন্দৰ্ভত উচ্চ ন্যায়ালয়ে কয় যে এছ আই টি গঠনত নিষেধাজ্ঞা আছে, কিন্তু শ্বাহজাহান শ্বেইখক গ্ৰেপ্তাৰ কৰাত কোনো নিষেধাজ্ঞা নাই। মুখ্য ন্যায়াধীশ টি এছ শিৱগনাম নেতৃত্বাধীন সংমণ্ডল বিচাৰপীঠে নিৰ্দেশ দি কয় যে উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কে বাতৰি কাকতত এখন ৰাজহুৱা জাননী

জাৰি কৰি শ্বেইখ পলাতক হৈ থকাৰ বাবে আৰু ৫ জানুৱাৰীৰ ইডিৰ ওপৰত সংঘটিত আক্ৰমণৰ পিছত তেওঁ আত্মগোপন কৰি থকাৰ বাবে গোচৰৰ পক্ষ হিচাপে লোৱা হৈছে বুলি স্পষ্ট কৰিব লাগে। আদালতেনিযুক্তি দিয়া এমিকাছ কুৰিয়ে শ্বেইখক গ্ৰেপ্তাৰ নকৰিবলৈ আৰক্ষীক কোনো নিৰ্দেশ দিয়া হৈছে নে নাই সেয়া স্পষ্ট কৰিবলৈ অনুৰোধ জনাইছিল, যাৰ উত্তৰত সংমণ্ডল বিচাৰপীঠে কয় যে এনে কোনো নিষেধাজ্ঞা নাই আৰু আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিব পাৰে। আদালতে কয় যে এটা পৃথক গোচৰত ইডি বিষয়াৰ ওপৰত হোৱা আক্ৰমণৰ তদন্তৰ বাবে একক বিচাৰপীঠে নিৰ্দেশ দিয়া চিবিআই আৰু ৰাজ্যিক আৰক্ষীৰ যৌথ বিশেষ তদন্তকাৰী দল গঠনতহে স্থগিতাদেশ জাৰি কৰা হৈছে। ন্যায়াধীশ হিৰণ্ময় ভট্টাচাৰ্যকো এই বিচাৰপীঠত অন্তৰ্ভুক্ত কৰা হৈছে। সংমণ্ডল বিচাৰপীঠে নিৰ্দেশ দিয়ে যে অহা ৪ মাৰ্চত পুনৰ গোচৰৰ শুনানি গ্ৰহণ কৰা হ'ব।

# ৰাজ্যিক বিশ্ববিদ্যালয়লৈ উন্নীত কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়

**ই-সংবাদ, কোকৰাঝাৰ, ২৬ ফেব্ৰুৱাৰীঃ** বিটিআৰৰ সদৰস্থিত কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ে আজিৰে পৰা লাভ কৰিলে নতুন পৰিচয়। উচ্চ শিক্ষা প্ৰদানৰ জৰিয়তে মানৱ সম্পদ গঢ়াত বিশেষ ভূমিকা পালন কৰি অহা কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ক এতিয়াৰ পৰা কোকৰাঝাৰ ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে জনা যাব। আজি অসম বিধানসভাত শাসক-বিৰোধীৰ ঐক্যমতত কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ক ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণ বিধেয়ক সৰ্বসন্মতি ক্ৰমে গৃহীত হোৱাৰ পিছতে বিটিআৰৰ সদৰ কোকৰাঝাৰত আৱতৰীয়া দেৱালী পালন কৰে ছাত্ৰ সমাজ, শিক্ষক আৰু একাংশ শিক্ষানুৰাগীয়ে। দীৰ্ঘ অপেক্ষাৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে কোকৰাঝাৰবাসীৰ দাবী পূৰণ কৰাত আনন্দ-উল্লাস প্ৰকাশ কৰিছে কোকৰাঝাৰবাসীয়ে। আজিৰ দিনটোক ঐতিহাসিক বুলি অভিহিত কৰি এই দিনটোৰ বাবে আমি সকলোৱে অপেক্ষা কৰি আছিলো বুলি কয় কোকৰাঝাৰৰ শিক্ষানুৰাগীমহলে। কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ক বাস্তৱত ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলি আমি আগুৱাই যাম বুলিও কয় ছাত্ৰ তথা শিক্ষকসমাজে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ক ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণৰ দাবী উত্থাপন হৈ আহিছিল। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ৰাইজক দাবীক সন্মান জনাই ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণ কৰা হ'ব বুলি ঘোষণা কৰিছিল। ঘোষণা অনুসৰিয়েই আজি অসম বিধানসভাত বিধেয়ক উত্থাপন হোৱাৰ লগতে গৃহীত হয়। যাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে কোকৰাঝাৰবাসীয়ে। বিধেয়ক খনলৈ সমৰ্থন জনোৱাত বিধেয়কসকললৈও ধন্যবাদ জ্ঞাপন কৰে জিলাখনৰ শিক্ষানুৰাগী মহলে।

# মুছলমান পক্ষৰ আবেদন নাকচ এলাহাবাদ উচ্চ ন্যায়ালয়ৰ

## জ্ঞানবাপী মছজিদ চৌহদত পূজা প্ৰসংগ

**নতুন দিল্লী, ২৬ ফেব্ৰুৱাৰীঃ** জ্ঞানবাপী মছজিদ চৌহদত হিন্দুসকলক পূজা কৰিবলৈ অনুমতি প্ৰদান কৰা বাৰাণসী জিলা আদালতৰ নিৰ্দেশক সমৰ্থন জনাই সোমবাৰে মুছলমান পক্ষই দাখিল কৰা আবেদন নাকচ কৰে এলাহাবাদ উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে, মছজিদ চৌহদৰ ব্যাস বেছমেণ্টত পূজা-অৰ্চনা কৰিবলৈ আদালতে প্ৰদান কৰা অনুমতিক প্ৰত্যাহ্বান জনাই আবেদন দাখিল কৰিছিল মুছলমান পক্ষৰ হৈ অঞ্জুমান ইণ্টেজামিয়া মছজিদ কমিটীয়ে। ন্যায়াধীশ ৰোহিত ৰঞ্জন আগৰৱালাই এই আৱেদন নাকচ কৰি এয়া ভিত্তিহীন বুলি অভিহিত কৰে। প্ৰণিধানযোগ্য যে, জ্ঞানবাপী মছজিদৰ চৌহদত পূজা-পাঠৰ বাবে যোৱা ৩১ জানুৱাৰীত অনুমতি প্ৰদান কৰিছিল বাৰাণসী জিলা আদালতে। তেতিয়াৰ পৰাই এই স্থানত হিন্দু ভক্তসকলে পূজা কৰিবলৈ আৰম্ভ কৰে। এই ব্যাস বেছমেণ্টটো মছজিদৰ দক্ষিণ অংশ বুলি ধৰা হয়। হিন্দু পক্ষই এই বেছমেণ্টত এটা শিৱ লিংগ থকা বুলি দাবী কৰি কয় যে জ্ঞানবাপী মছজিদৰ পূৰ্বে নিৰ্মিত কাশী বিশ্বনাথ মন্দিৰৰ অংশ আছিল এই বেছমেণ্টটো। ইফালে মুছলমান পক্ষই এই কথা অস্বীকাৰ কৰি কয় যে ব্যাস বেছমেণ্টত কেতিয়াও পূজা কৰা হোৱা নাছিল। সেই স্থান পণ্ডিত সোমনাথ ব্যাসক মানৱতাৰ খাতিৰত কেৱল থাকিবলৈহে দিয়া হৈছিল, যাতে তেওঁ নিয়মিতভাৱে কাশী বিশ্বনাথ মন্দিৰত পূজা-অৰ্চনা কৰিব পাৰে। উল্লেখ্য যে, জ্ঞানবাপী মছজিদ আৰু কাশী বিশ্বনাথ মন্দিৰৰ মাজত সম্পত্তিৰ অধিকাৰ সন্দৰ্ভত বিবাদ অব্যাহত আছে। হিন্দু পক্ষৰ অভিযোগ যে মোগল সম্ৰাট ঔৰংজেবে ১৭ শতিকাত এই মন্দিৰ ভাঙি একে ঠাইতে মছজিদ নিৰ্মাণ কৰিছিল। কিন্তু মুছলমান পক্ষই এই কথা মানি ল'বলৈ অস্বীকাৰ কৰে। এই গোচৰত বাৰাণসী জিলা আদালতে যোৱা বছৰৰ এপ্ৰিল মাহত ভাৰতৰ প্ৰত্নতাত্ত্বিক জৰীপ সংস্থাক জ্ঞানবাপী মছজিদ খনন কৰিবলৈ নিৰ্দেশ দিছিল। ইয়াৰ পিছত উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ স্থগিত ৰাখে।




■ চিলাপথাৰৰ মাদুৰী পথাৰত বীৰ লাচিত বৰফুকনৰ নৱনিৰ্মিত প্ৰতিমূৰ্তি উন্মোচন ড০ হিমন্ত বিশ্ব শৰ্মাৰ

শেষ পৃষ্ঠা

# ভাৰতৰ শৃংখলা জয়

**ৰাঁচী, ২৬ ফেব্ৰুৱাৰীঃ** এখন মেছ বাকী থকা অৱস্থাত ৩-১ ব্যৱধানত ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা জয় কৰিলে টিম ইণ্ডিয়াই। মেছৰ এটা দিন বাকী থকা অৱস্থাত ভাৰতীয় দলে পাঁচ উইকেটত ৰাঁচী টেষ্টত জয়লাভ কৰে। চতুৰ্থ ইনিংছ জয়ৰ বাবে ১৯২ ৰানৰ লক্ষ্য লৈ ভাৰতীয় দলে ৬০ অভাৰত পাঁচ উইকেট হেৰুৱাই প্ৰয়োজনীয় ৰান সংগ্ৰহ কৰে। পাঁচখন টেষ্টৰ শৃংখলাটোৰ প্ৰথমখন মেছত পৰাজিত হোৱাৰ পিছত টিম ইণ্ডিয়াই একেলেথাৰিয়ে তিনিখন খেল জয় লাভ কৰি শৃংখলা হস্তগত কৰে। এটা সময়ত টম হাৰ্টলে আৰু চোৱেইব বাছিৰে ভাৰতীয় দলৰ বাবে ১৯২ ৰানৰ লক্ষ্যই কঠিন কৰি তুলিছিল। শুভমন গিল আৰু ধ্ৰুৱ জোৰেলে ধ্যৰ্যসহকাৰে খেলি দলৰ বিজয় নিশ্চিত কৰে। গিলে আৰু ধ্ৰুৱই ক্ৰমে ৫২ আৰু ৩৯ ৰানত পৰাজিত থাকে। ইয়াৰ পূৰ্বে অধিনায়ক ৰোহিত শৰ্মাই কৰে ৫৫ ৰান। দলৰ বিপদৰ সময়ত প্ৰথম ইনিংছত দুৰ্দান্ত ৯০ ৰান কৰাৰ লগতে দ্বিতীয় ইনিংছত অপৰাজিত ৩৯ ৰান কৰা জোৰেল মেছৰ শ্ৰেষ্ঠ বিবেচিত হয়। শৃংখলাৰ অন্তিমখন টেষ্ট ৭ মাৰ্চৰ পৰা ধৰ্মশালাত অনুষ্ঠিত হ'ব।






Ads Via G-Adsense

# অসমৰ চাহক ৰাষ্ট্ৰীয় পানীয় হিচাপে ঘোষণা কৰিবলৈ দাবী আম আদমী পাৰ্টিৰ

**ই-সংবাদ, গুৱাহাটী, ২৬ ফেব্ৰুৱাৰীঃ** বছৰবোৰত হেৰুওৱা ইয়াৰ আকৰ্ষণীয়তাক পুনৰুদ্ধাৰ কৰিবৰ বাবে আম আদমি পাৰ্টীয়ে চৰকাৰৰ ওচৰত দাবী জনায়। ব্ৰিটিছ পুঁজিপতিৰ পৰা দেশীয় ধনাঢ্যৰ হাতলৈ চাহ বাগিচাৰ মালিকীস্বত্ব গৈ বৰ্তমান ক্ষুদ্ৰ চাহ খেতিয়কে অসমত উৎপাদিত চাহৰ বৃহৎ অংশ উৎপাদন কাৰ্যত জড়িত হৈছেগৈ।এনে বিৱৰ্তনৰ মাজেৰে অহা এই শিল্পৰ উদগতিৰ বাবে চৰকাৰে কোনো গুৰুত্ব নিদিয়াত ই সংকটত পৰিছে। আম আদমি পাৰ্টীয়ে কেঁচা চাহপাতৰ নূন্যতম সমৰ্থন মূল্য নিৰ্ধাৰণ কৰিবলৈ চৰকাৰক দাবী জনোৱাৰ লগতে চাহক ভাৰতৰ ৰাষ্ট্ৰীয় পানীয় হিচাপে ঘোষণা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। চাহ উদ্যোগৰ লগত জড়িত হৈ থকা চাহ-শ্ৰমিকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ ক্ষেত্ৰত দেশ স্বাধীন হোৱাৰ ৭৬ বছৰৰ পাছতো একো কৰা হোৱা নাই। অতি পৰিতাপৰ কথা যে শ শ হেক্টৰ বিস্তৃত হৈ থকা চাহ বাগিচাৰ মাজত শ্ৰমিকসকলৰ বাবে কোনো প্ৰস্ৰাৱগাৰ বা শৌচাগাৰৰ ব্যৱস্থা আজি পৰ্যন্ত হোৱা নাই। এনে দিশত চৰকাৰক চকু দিবলৈও আপ অসমে চৰকাৰক আহ্বান জনায়।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com